**জনসংযোগ, অসম**
**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**
**প্ৰেছ বাৰ্তা**

---

**নং ঃ ৬১১/২০১৯**

**‘অভিনন্দন’ আঁচনিৰ জৰিয়তে শৈক্ষিক ঋণৰ ৰাজ সাহায্য প্ৰদান কৰিলে মুখ্যমন্ত্ৰীয়ে**

**ছাত্ৰ-ছাত্ৰীসকলে যোগ্যতা আৰু দক্ষতা প্ৰকাশ কৰিবলৈ হ'লে গভীৰ অধ্যয়নত নিমগ্ন হ'ব লাগিব ঃ মুখ্যমন্ত্ৰী**

**দিছপুৰ, ২৬ ডিচেম্বৰঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীমন্ত শংকৰদেৱ আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাগৃহত অনুষ্ঠিত এক অনুষ্ঠানৰ জৰিয়তে ৰাজ্যখনত ছাত্ৰ-ছাত্ৰীসকলৰ উচ্চ শিক্ষা আহৰণৰ দিশত সহায়ক হোৱাকৈ লোৱা বেংকৰ ঋণ সমূহৰ বাবে ‘অভিনন্দন’ আঁচনিৰ জৰিয়তে ৫০ হাজাৰ টকাৰ এককালীন ৰাজ সাহায্যৰ অনুমোদন পত্ৰ আনুষ্ঠানিক ভাৱে প্ৰদান কৰে। উল্লেখ্য যে এই আঁচনিৰ জৰিয়তে সৰ্বমুঠ ১৫৪৬ গৰাকী ছাত্ৰ-ছাত্ৰীলৈ আজি ৰাজ সাহায্যৰ অনুমোদন পত্ৰ প্ৰদান কৰা হয়।

অনুষ্ঠান উপলক্ষে আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে ছাত্ৰ-ছাত্ৰী সকলে নিজৰ যোগ্যতা আৰু দক্ষতা প্ৰকাশ কৰিবলৈ হ'লে গভীৰ অধ্যয়নত নিমগ্ন হ'ব লাগিব। অসমৰ বুকুত সুস্থ, সৰল পৰিৱেশ নিৰ্মাণৰ বাবে সকলোৱে মিলিত প্ৰচেষ্টা ল'ব লাগিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে শিক্ষাৰ জৰিয়তেহে প্ৰত্যাহ্বান মোকাবিলা কৰাটো সম্ভৱ। মুখ্যমন্ত্ৰীয়ে কয় যে ‘অভিনন্দন’ আঁচনিখনে ছাত্ৰ-ছাত্ৰীসকলক উচ্চ শিক্ষা আহৰণৰ দিশত সুবৰ্ণ সুযোগ প্ৰদান কৰিব। ছাত্ৰ-ছাত্ৰীসকলৰ সপোন সাৰ্থক কৰাৰ ক্ষেত্ৰত এই আঁচনিখনে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিবলৈ সক্ষম হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে ছাত্ৰ-ছাত্ৰীসকলে আমাৰ ৰাজ্যখনক বিশ্বৰ অন্যতম শক্তিশালী ৰাজ্য হিচাপে গঢ়াৰ সংকল্প লৈ অধ্যয়নত অধিক মনোনিৱেশ কৰিব লাগিব।

মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যখনত উপযুক্ত শৈক্ষিক বাতাবৰণ গঢ়ি তোলাৰ বাবে ৰাজ্য চৰকাৰে বিভিন্ন শিক্ষানুষ্ঠান স্থাপন কৰাৰ উপৰি বিনামূলীয়া পাঠ্যপুথি, জলপানি, বিনামূলীয়া নামভৰ্ত্তিৰ দৰে বহু আঁচনি গ্ৰহণ কৰিছে। গুৱাহাটীক দক্ষিণ পূব এছিয়াৰ দুৱাৰমুখ হিচাপে পৰিগণিত কৰিব লাগিলে বিভিন্ন কৰ্ম পথাৰত আমাৰ যুৱ প্ৰজন্মই দক্ষতা আৰু যোগ্যত প্ৰতিপন্ন কৰিব লাগিব। অসম চুক্তি অনুসৰি স্থাপিত নুমলীগড় শোধনাগাৰৰ শোধন ক্ষমতা বৰ্তমানৰ ৩ মিলিয়ন মেট্ৰিকটনৰ পৰা ৯ মিলিয়ন মেট্ৰিক টনলৈ বৃদ্ধি কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে লোৱা সিদ্ধান্তই আমাৰ যুৱক-যুৱতীসকলক নতুন পথৰ সন্ধান দিছে বুলি উল্লেখ কৰি এই সুযোগ-সুবিধা লোৱাৰ বাবে আমাৰ যুৱ প্ৰজন্মই নিজৰ দক্ষতা বৃদ্ধিৰ বাবে বিশেষ ভাৱে পদক্ষেপ লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে শিক্ষক-শিক্ষয়িত্ৰী আৰু অভিভাৱক সকলক শিক্ষাৰ প্ৰতি ছাত্ৰ-ছাত্ৰীসকলক অধিক উদ্‌গণি যোগাবলৈ আহ্বান জনায়।

**জনসংযোগ, অসম**

**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**

**প্ৰেছ বাৰ্তা**

---

অনুষ্ঠানত বক্তব্য প্ৰদান কৰি বিত্ত, স্বাস্থ্য ইত্যাদি দপ্তৰৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে যি সকল শিক্ষাৰ্থীয়ে 'অভিনন্দন' আঁচনিৰ সুবিধা গ্ৰহণৰ বাবে এই পৰ্যন্ত আবেদন কৰা নাই তেওঁলোকেও আৱেদন কৰি ৰাজ সাহায্যৰ সুবিধা ল'ব পাৰিব। মন্ত্ৰী গৰাকীয়ে কয় যে ৰাজ্যখনত এক শৈক্ষিক জাগৰণ তথা বিপ্লৱৰ সূচনা হৈছে। এই পোহৰক ধৰি ৰখাৰ দায়িত্ব আমাৰ সকলোৰে আছে। মন্ত্ৰী গৰাকীয়ে লগতে কয় যে আৱেগ আৰু যুক্তিৰ মাজত যেতিয়া ভাৰসাম্যৰ সূচনা হয় তেতিয়াহে সমাজ এখন আগুৱাই যাব পাৰে। ভাষণ প্ৰসংগত মন্ত্ৰী গৰাকীয়ে ৰাজ্যখনৰ শিক্ষাৰ বিকাশৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে গ্ৰহণ কৰা পদক্ষেপ সমূহৰ অৱলোকন কৰে। অনুষ্ঠানত শিক্ষা মন্ত্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য আৰু এছ বি আইৰ মুখ্য মহা প্ৰৱন্ধকেও বক্তব্য প্ৰদান কৰে।

বিত্ত বিভাগৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহাই আদৰণি ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টা শান্তনু ভৰালী, বিত্ত বিভাগৰ উচ্চ পদস্থ বিষয়া, কানাড়া বেংকৰ উপ মহাপ্ৰৱন্ধক প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**পুঃডেঃ / বঃভাঃ /**
**২৬/১২/২০১৯**